# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-04-2025
**Time:** 1910 Hrs

## *Assamese Evening Bulletin*
### *Headlines*

**- - - - - - - - - - - - - -**

১। লোকসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সম্পৰ্কে আলোচনা চলি আছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ক ৰাষ্ট্ৰৰ বৌদ্ধিক নৱজাগৰণ বুলি অভিহিত কৰিছে।

৩। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে দেশত ৭২৮খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় স্থাপনৰ লক্ষ্য স্থিৰ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

লোকসভাত ৱক্‌ফ সংশোধনী বিধেয়ক ২০২৫ সম্পৰ্কে আলোচনা চলি আছে। ২০২৪ চনৰ ৮ আগষ্টত ৱক্‌ফ সংশোধনী বিধেয়ক আৰু মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰাৰ পাছত ইয়াক জগদম্বিকা পাল নেতৃত্বাধীন যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। যুটীয়া সংসদীয় সমিতিয়ে দাখিল কৰা ইয়াৰ প্ৰতিবেদন যোৱা ১৩ ফেব্ৰুৱাৰীত লোকসভা আৰু ৰাজ্যসভাত দাখিল কৰা হৈছিল। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি বিধেয়কখন উত্থাপন কৰি কয় যে মুছলমান সকলৰ ধৰ্মীয় প্ৰথাৰ সৈতে বিধেয়কখনৰ কোনো সম্পৰ্ক নাই আৰু ৱক্‌ফ পৰিষদৰ সা-সম্পত্তিৰ সৈতেহে জড়িত। তেওঁ কয়, যে চৰকাৰে ৱক্‌ফ পৰিষদসমূহক সৰ্বাত্মক আৰু ধৰ্ম নিৰপেক্ষ কৰি তুলিব খুজিছে। বিধেয়কখন মছজিদৰ পৰিচালনাৰ বাবে নহয় বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। বিধেয়কখনক ভৱিষ্যতমুখী বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ই পূৰ্বব্যাপী নহয় আৰু কাৰো সম্পত্তি জব্দ কৰাৰ ইয়াৰ উদ্দেশ্য নহয়। মন্ত্ৰীগৰাকীয়ে কয় যে বিধেয়কখন অনুসৰি ৱক্‌ফ পৰিষদত মুছলমানৰ বিভিন্ন পন্থা, মহিলা আৰু অনামুছলিম সম্প্ৰদায়ৰ প্ৰতিনিধি থাকিব। বিৰোধী পক্ষই বিধেয়কখন লৈ জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি শ্ৰীৰিজিজুৱে অভিযোগ তোলে। তেওঁ কয় যে দেশৰ যিকোনো ভূমি ৱক্‌ফ সম্পত্তি হিচাপে ঘোষণা কৰাৰ বাবে বৰ্তমানৰ আইনত কিছুমান ব্যৱস্থা অপব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয় যে ২০১৩ চনত ইউ পি এৰ শাসন কালত ৱক্‌ফ আইনত সংশোধন কৰা হৈছিল আৰু এই সংশোধনে অন্য আইনসমূহত ব্যাপক প্ৰভাৱ পেলাইছিল। কংগ্ৰেছ শাসনকালত দিল্লীৰ আগশাৰীৰ ঠাইৰ মুঠ ১২৩ টা সম্পত্তি দিল্লী ৱক্‌ফ পৰিষদলৈ হস্তান্তৰ কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। শ্ৰীৰিজিজুৱে কয় যে যুটীয়া সংসদীয় কমিটি আৰু চৰকাৰে এই বিধেয়কখন প্ৰস্তুত কৰাৰ সময়ত সংশ্লিষ্ট পক্ষসমূহৰ সৈতে ব্যাপকভাৱে আলাপ আলোচনা কৰিছিল। তেওঁ লগতে ভাৰতত বিশ্বৰ ভিতৰত সৰ্বাধিক ৱক্‌ফ সম্পত্তি থকা সত্ত্বেও ভাৰতীয় মুছলমানসকল কিয় দুখীয়া হৈ আছে বুলি প্ৰশ্ন তোলে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে মুছলমান ৱক্‌ফ বাতিলকৰণ বিধেয়ক ২০২৪ উত্থাপন কৰে।

বিতৰ্কত হস্তক্ষেপ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে যুটীয়া সংসদীয় সমিতিয়ে ব্যাপক আলাপ-আলোচনাৰ অন্তত এই বিধেয়কখন আনিছে। ইয়াৰ পূৰ্বে আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ গৌৰৱ গগৈয়ে বিধেয়কখনক লৈ চৰকাৰে জনসাধাৰণক বিপথে পৰিচালিত কৰা বুলি অভিযোগ তোলে। বিধেয়কখন সংবিধানৰ পৰিপন্থী বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে চৰকাৰে এই বিধেয়কখনৰ জৰিয়তে চৰকাৰে দেশৰ সংবিধানক দুৰ্বল কৰিব, সংখ্যালঘুসকলক বদনাম কৰিব আৰু ভাৰতীয় সমাজক বিভাজিত কৰিব খুজিছে। তেওঁ লগতে কংগ্ৰেছৰ শাসন কালত দিল্লীত ১২৩টা সম্পত্তি দিল্লী

ৱক্‌ফ পৰিষদলৈ হস্তান্তৰ কৰা হৈছিল বুলি শ্ৰীৰিজিুৰে উত্থাপন কৰা অভিযোগ খণ্ডন কৰে। বৰ্তমানৰ আইনখনৰ সংশোধনে অধিক সমস্যাৰহে সৃষ্টি কৰিব বুলি শ্ৰীগগৈয়ে প্ৰকাশ কৰে।

আলোচনাত ভাগ লৈ সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱে মূল্যবৃদ্ধি, কৰ্মসংস্থাপনহীনতা, বিমুদ্ৰাকৰণ আৰু অন্যান্য বিষয়ৰ ব্যৰ্থতা লুকুৱোৱাৰ বাবে চৰকাৰে বিধেয়কখন অনা বুলি অভিযোগ তোলে। তেওঁ লগতে প্ৰয়াগৰাজত মহাকুম্ভৰ সময়ত হোৱা হেঁচা-ঠেলাৰ ঘটনা আৰু ভালেসংখ্যক লোকৰ মৃত্যুক লৈ প্ৰশ্ন অৱতাৰণ কৰে। বিধেয়কখনৰ আঁৰৰ অভিপ্ৰায় ভাল নহয় বুলি অভিযোগ কৰি শ্ৰীযাদৱে কয় যে বিজেপিয়ে দলৰ ভোট নিয়ন্ত্ৰিত কৰাৰ বাবে বিধেয়কখন উত্থাপন কৰিছে। বিধেয়কখনে দেশৰ ধৰ্মনিৰপেক্ষ ভাৱমূৰ্তিত আঘাত হানিব বুলিও সাংসদগৰাকীয়ে মন্তব্য কৰে।

তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে প্ৰস্তাৱিত বিধেয়কখনক ভুল, অযুক্তিকৰ আৰু স্বেচ্ছাচাৰী বুলি অভিহিত কৰে। তেওঁ লগতে বিধেয়কখনৰ জৰিয়তে মুছলমান সম্প্ৰদায়ৰ লোকৰ অধিকাৰ হ্ৰাস কৰিব বিচৰা হৈছে বুলি অভিযোগ উত্থাপন কৰে। ধৰ্মীয় নীতি-নিয়ম পালন কৰাটো কোনো বিধেয়কৰ ভিত্তি হ'ব নোৱাৰে বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

আলোচনাত ভাগ লৈ বিজেপিৰ ৰবিশংকৰ প্ৰসাদে কয় যে দেশখনত সকলো ধৰ্মৰ লোকৰে সমান অধিকাৰ আছে, ইয়াক লৈ কোনো সন্দেহ নাই। বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাত বিৰোধী পক্ষৰ নেতাসকলে উদ্দেশ্যপ্ৰণোদিতভাৱে সংবিধানৰ বছা বছা অংশৰ উদ্ধৃতি দিয়া বুলি বিজেপিৰ সাংসদগৰাকীয়ে অভিযোগ তোলে। আইনৰ পূৰ্ণ উদ্ধৃতি আগবঢ়াবলৈ বিৰোধী পক্ষৰ প্ৰতি আহ্বান জনাই শ্ৰীপ্ৰসাদে কয় যে সংবিধানে ৱক্‌ফ সম্পত্তিৰ সুৰক্ষা আৰু উপান্ত সম্প্ৰদায়সমূহৰ উত্থানৰ বাবে চৰকাৰে গ্ৰহণ কৰা কাৰ্যক সমৰ্থন কৰে। তেওঁ কয় যে বিধেয়কখনত ৱক্‌ফ পৰিষদত মহিলাৰ বাধ্যতামূলক অন্তৰ্ভুক্তিত প্ৰস্তাৱ দিয়া হৈছে যাতে পৰিষদৰ সম্পত্তিৰ ব্যৱস্থাপনা অধিক স্বচ্ছ কৰি তুলিব পৰা যায় আৰু লিংগ ন্যায় সুনিশ্চিত কৰিব পৰা যায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ক ৰাষ্ট্ৰৰ বৌদ্ধিক নৱজাগৰণ বুলি অভিহিত কৰিছে। তেওঁ কৈছে যে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে শিক্ষা আৰু উদ্ভাৱনৰ মাধ্যমেৰে আত্মনিৰ্ভৰ আৰু প্ৰতিযোগিতামুখী ৰাষ্ট্ৰৰ পথ প্ৰশস্ত কৰিছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এখন বাতৰি কাকতত লিখা এটা নিবন্ধ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে নিবন্ধটোত যোৱা এটা দশকত দেশৰ শিক্ষাৰ খণ্ডলৈ অহা আমূল পৰিৱৰ্তনৰ বিষয়ে আলোকপাত কৰা হৈছে।

ooooo

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। আয়োগে কৈছে যে ৰাজ্যখনত ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত পঞ্চায়ত আৰু জিলা পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যিক নিৰ্বাচন আয়ুক্ত অলোক কুমাৰে আজি গুৱাহাটীত এখন সংবাদ মেলত কয় যে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ষষ্ঠ অনুসূচীৰ এলেকাসমূহৰ বাহিৰে বাকী ঠাইসমূহত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈছে। ষষ্ঠ অনুসূচীৰ এলেকাসমূহত এই নিৰ্বাচন অনুষ্ঠিত নহয়। প্ৰথম পৰ্যায়ত উজনি অসম আৰু বৰাক উপত্যকাৰ জিলাসমূহত আৰু দ্বিতীয় পৰ্যায়ত নামনি অসমৰ জিলাসমূহত ভোটগ্ৰহণ কৰা হ'ব। ১১ মে'ত ভোটগণনা কৰা হ'ব। কাইলৈ মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু ১১ এপ্ৰিল মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে দেশত ৭২৮খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় স্থাপনৰ লক্ষ্য স্থিৰ কৰিছে। এই বিদ্যালয়সমূহৰ পৰা অনুসূচিত জনজাতি সম্প্ৰদায়ৰ প্ৰায় চাৰে তিনি লাখ শিক্ষাৰ্থী উপকৃত হ'ব বুলি অনুমান কৰা হৈছে। বৰ্তমানলৈকে ৭২১খন ব্যিদালয়ত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰে ভিতৰত ৪৭৭খন বিদ্যালয় কাৰ্যক্ষম হৈ উঠিছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত জনজাতীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰীয়ে দুৰ্গা দাস উইকে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে জনজাতীয় সম্প্ৰদায়ৰ শিশুসকলক নিজা পৰিবেশত শিক্ষা প্ৰদানৰ উদ্দেশ্যে ২০১৮-১৯ বৰ্ষত কেন্দ্ৰীয় খণ্ডৰ আঁচনি হিচাপে একলব্য আদৰ্শ আৱাসিক বিদ্যালয় আৰম্ভ কৰা হৈছিল। তেওঁ কয় যে এই আঁচনিৰ অধীনত চৰকাৰে ৫০ শতাংশৰো অধিক

অথবা কমেও ২০ হাজাৰ অনুসূচিত জনজাতিৰ লোক থকা প্ৰতিটো উন্নয়ন খণ্ডত একোখনকৈ একলব্য আদৰ্শ আৱাসিক বিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

ডেৰ বছৰৰ ভিতৰত সকলো ৰে'ল ষ্টেচনতে পৰ্যাপ্ত সংখ্যাত চিচি টিভি কেমেৰা স্থাপন কৰা হ'ব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি প্ৰশ্নোত্তৰ কালত সোধা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰীবৈষ্ণৱে কয় যে দেশৰ বিভিন্ন প্ৰান্তত ৰে'ল ষ্টেচনত চিচি টিভি কেমেৰা স্থাপনৰ কাম চলি আছে। মহিলাসকলৰ নিৰাপত্তা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতীয় ৰে'লৱেই মহিলাসকলৰ সুৰক্ষাৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ কয় যে প্ৰতিটো সংমণ্ডল, মণ্ডল আৰু ৰে'ল পৰিষদত কেন্দ্ৰীয় কক্ষ স্থাপন কৰা হৈছে আৰু এই কক্ষৰ জৰিয়তে ষ্টেচনসমূহ অহৰহ নিৰীক্ষণ কৰি থকা হৈছে। ৰে'লৱেৰ সুৰক্ষা বাহিনীৰ ৯ দশমিক ৪ শতাংশ কৰ্মচাৰী মহিলা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চল, হিমাচল প্ৰদেশ, কেৰালাকে ধৰি প্ৰতিখন ৰাজ্যত বন্দে ভাৰত ৰে'ল সেৱা প্ৰৱৰ্তন কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে যোৱা ৩১ মাৰ্চ পৰ্যন্ত দেশত ১৩৬খন বন্দে ভাৰত ৰে'ল চলাচল কৰি আছে।

০০০০০

সংসদে আপ্ৰৱাসন আৰু বিদেশী আইন ২০২৫ গ্ৰহণ কৰিছে। ৰাজ্যসভাই আজি বিধেয়কখনত অনুমোদন জনায়। লোকসভাত বিধেয়কখন ইতিপূৰ্বে গৃহীত হৈছে। এই বিধেয়কখনৰ জৰিয়তে দেশত বিদেশীৰ আপ্ৰৱাসন, প্ৰবেশ আৰু বাস নিয়ন্ত্ৰণ কৰিব বিচৰা হৈছে আৰু আপ্ৰৱাসন আইনসমূহৰ আধুনিকীকৰণেই বিধেয়কখনৰ মূল উদ্দেশ্য।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত বাংগালুৰু এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু - গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হব।

পাঞ্জাৱ কিংছে যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেটৰ বিনিময়ত ১৭১ ৰাণ কৰে। প্ৰত্যুত্তৰত পাঞ্জাৱ কিংছে ১৬ অভাৰ আৰু দুটা বলত দুটা উইকেট হেৰুৱাই সহজে বিজয় লক্ষ্য অতিক্ৰম কৰে।

০০০০০

সমাপ্ত